প্ৰেছ বিজ্ঞপ্তি

২২ ছেপ্টেম্বৰ, ২০১৬

**চভাৰেইন গ'ল্ড বণ্ড, ২০১৬-১৭ শৃংখলা দ্বিতীয়**

ভাৰতীয় ৰিজাৰ্ভ বেংকে, ভাৰত চৰকাৰৰ পৰামৰ্শক্ৰমে চভাৰেইন গ'ল্ড বণ্ড, ২০১৬-১৭ শৃংখলা দ্বিতীয় প্ৰচলনৰ বিষয়ে জ্ঞাপন দিছিল, দ্ৰষ্টব্য আই ডি এম ডি. চি ভি ভি নং ৪৬২/১৪.০৪.০৫০/২০১৬-১৭ আৰু আই ডি এম ডি. চি ডি ডি নং ৪৬৩/১৪.০৪.০৫০/২০১৬-১৭। ১ ছেপ্টেম্বৰ,২০১৬ৰ পৰা ৯ ছেপ্টেম্বৰ,২০১৬ পৰ্যন্ত চভাৰেইন গ'ল্ড বণ্ডৰ পঞ্চম ট্ৰান্সটো গ্ৰাহকত্বৰ বাবে মুকলি কৰা হয়। এই বণ্ডসমূহ ২৩ ছেপ্টেম্বৰ,২০১৬ত জাৰি কৰিব লগা আছিল।

বেংক আৰু ডাকঘৰসমূহে ইয়াৰ বাবে বৃহত্ সংখ্যক আবেদন পাইছে। আৰ বি আইৰ ই-কুবেৰ চিষ্টেমত বিশেষকৈ ডাকঘৰসমূহত আবেদনসমূহ নিয়াৰিকৈ আপল'ড কৰিবৰ কাৰণে চভাৰেইন গ'ল্ড বণ্ড জাৰিৰ তাৰিখ ২৩ ছেপ্টেম্বৰ,২০১৬ৰ পৰিৱৰ্তে ৩০ ছেপ্টেম্বৰ,২০১৬লৈ পৰিৱৰ্তিত কৰিবলৈ সিদ্ধান্ত লোৱা হয়।

উপৰিউক্ত চাৰ্কুলাৰবোৰৰ অন্যান্য চৰ্তাৱলী অপৰিৱৰ্তিত আছে।

**প্ৰেছ বিজ্ঞপ্তিঃ ২০১৬-২০১৭/৭৪০**

**অনিৰুদ্ধ ডি. যাধৱ**

সহকাৰী পৰিচালক